জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৬৫/২০২২**

# হাইস্কুল শিক্ষান্ত আৰু হাই মাদ্ৰাছা পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকললৈ মুখ্যমন্ত্ৰীৰ অভিনন্দন

**দিছপুৰ, ৭ জুন ঃ** আজি ফলাফল ঘোষিত হোৱা অসম মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা পৰিচালিত ২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু হাই মাদ্ৰাছা পৰীক্ষাত স্থান লাভ কৰা সকলৰ লগতে উত্তীৰ্ণ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰাৰ লগতে প্ৰতিখন শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকললৈ অভিনন্দন জ্ঞাপন কৰিছে।

এক বাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে হাইস্কুল শিক্ষান্ত আৰু হাই মাদ্ৰাছা পৰীক্ষা শিক্ষা জীৱনৰ এক গুৰুত্বপূৰ্ণ অংগ। এই পৰীক্ষাত উত্তীৰ্ণ সকলো বিদ্যাৰ্থীয়ে নিজৰ প্ৰতিভাৰ পৰিচয় দিছে। মুখ্যমন্ত্ৰীয়ে কয় যে কঠোৰ সাধনা, অধ্যৱসায় আৰু পৰিশ্ৰমৰ জৰিয়তে তেওঁলোকে এই প্ৰতিভাৰ কৰ্ষণ অব্যাহত ৰাখিব লাগিব। ৰাজ্য তথা দেশৰ জনগণৰ সেৱাৰ বাবে প্ৰতিভাসম্পন্ন মানৱ সম্পদৰ প্ৰয়োজন বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে শিক্ষাৰ্থীসকলক এতিয়াৰে পৰা জনগণৰ সেৱাত নিজকে উৎসৰ্গ কৰাৰ মানসেৰে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। শিক্ষাৰ্থীসকলে নিজকে এগৰাকী সুনাগৰিক আৰু দেশপ্ৰেমিক হিচাপে গঢ়ি তুলিব লাগিব বুলিও মন্তব্য কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতামুখী মানসিকতাৰে অধ্যয়নত ব্ৰতী হোৱাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে।

মুখ্যমন্ত্ৰীয়ে পৰীক্ষাত অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অধিক নিষ্ঠা আৰু একগ্ৰতাৰে অধ্যয়নত ব্ৰতী হৈ পৰৱৰ্তী পৰ্যায়ত সফলতা কঢ়িয়াই আনিবলৈও আহ্বান জনায়।

**পুঃডেঃ**
**৭/০৬/২০২২**